জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

ৰ । ৮৮ সংখ্যা, ১৬ কাতি, সোমবাৰ, ১৯৪৭ শক । DAINIK ASAM : Assamese Daily । VOL. 61 NO. 88 । DIBRUGARH, MONDAY, NOVEMBER 3, 2025 । পৃষ্ঠা ১৬ (Pages

### কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ বুলেটিন ‘ৰুক্মিণী’ৰ উন্মোচনী অনুষ্ঠানত ডঃ বুজৰবৰুৱা

## জুবিন গাৰ্গৰ কৰ্মক সন্মান জনাবলৈ আহ্বান

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ২ নৱেম্বৰ ঃ** জুবিনৰ মৃত্যুত আমি সদায় শোকস্তব্ধ হ’লেই নহ’ব, বিপৰীতে জুবিনৰ কৰ্মৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সদায় কাম কৰি যাব লাগিব। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাসৰ বাৰ্ষিক বুলেটিন ‘ৰুক্মিণী’ উন্মোচন কৰি ৩১ অক্টোবৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ডঃ পল্লৱী ডেকা বুজৰবৰুৱাই এইদৰে কয়। তেওঁ আৰু কয়— ছাত্ৰী নিৱাসৰ এই পদক্ষেপে অনাগত দিনত সাহিত্য-সংস্কৃতিৰ বিকাশত এক উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰিব। ছাত্ৰী নিভা লাহনে আঁত ধৰা অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি কয়— যদি মানুহৰ নিজৰ ওপৰত দৃঢ় বিশ্বাস থাকে, তেন্তে সেই মানুহে জীৱনত সফলতা লাভ কৰিব পাৰে বা জীৱনত যিকোনো কাম কৰিব পাৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য ডঃ গোপাল চন্দ্ৰ হাজৰিকাই কয়— কৰিম কৰিম বুলি কৈ থাকিলেই কোনো কাম সম্পূৰ্ণ নহয়, সেই কামটো সম্পূৰ্ণ নোহোৱালৈকে নেৰানেপেৰাকৈ লাগি থাকি কৰিলেহে সেই কামৰ সফলতা লাভ কৰিব পাৰি। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য জ্যোতি প্ৰসাদ কানৈয়ে তেওঁৰ মাতৃ ৰুক্মিণী দেৱী কানৈৰ নামেৰে ছাত্ৰী নিৱাসৰ বুলেটিনখন নামকৰণ কৰাৰ বাবে বুলেটিনখনৰ সম্পাদিকা ভাৰ্চী গগৈক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে তেওঁ ছাত্ৰী নিৱাসৰ এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত ছুইজাৰলেণ্ডৰ বিশিষ্ট চিকিৎসক তথা প্ৰৱাসী অসমীয়া ডাঃ ডেইজী লেখাৰুৱে প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ‘মায়াৱিনী’ গীতটি পৰিৱেশন কৰাৰ লগতে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ বুলেটিন উন্মোচনৰ অনুষ্ঠানত উপস্থিত থাকিবলৈ পাই গৌৰৱ অনুভৱ কৰা বুলি কয়। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ডঃ জ্যোতিপ্ৰসাদ ফুকন, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ মধুমিতা পুৰকায়স্থ, ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাসৰ অধীক্ষিকা অধ্যাপিকা উৰ্মিলা ৰামছিয়াৰীকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাস আৰু ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাসৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

